জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৯৯/২০২২**

# শাৰদীয় দুৰ্গোৎসৱ উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অসমবাসীলৈ শুভেচ্ছা

**দিছপুৰ, ৩০ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শাৰদীয় দুৰ্গোৎসৱ উপলক্ষে অসমবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

এক শুভেচ্ছা বাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ভাৰতীয় সনাতন সভ্যতা সংস্কৃতিত আধ্যাত্মিক জীৱন ধাৰাই এক শক্তিশালী ভূমিকা গ্ৰহণ কৰি আহিছে। এই আধ্যাত্মিক জীবনবোধে মানুহক নৈতিকতা আৰু প্ৰমূল্যবোধৰ আধাৰত আগুৱাই যোৱাৰ বাবে প্ৰেৰণা যোগাই আহিছে। বিভিন্ন দেৱ-দেৱীৰ পূজা-অৰ্চনাই আমাৰ জীৱনশৈলীক সমৃদ্ধ কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে দেৱ-দেৱীৰ পূজ-অৰ্চনাই আমাক মানৱতাবোধৰ দিশেৰে জীৱন পৰিচালিত কৰাৰ বাবে উদ্বুদ্ধ কৰে। প্ৰাচীন কালৰে পৰা অসমত দেৱী দুৰ্গাক অতি শ্ৰদ্ধা আৰু ভক্তি ভাবেৰে পূজা কৰি অহা হৈছে। এই দেৱী পূজাই সকলোকে প্ৰেম, ভাতৃত্ববোধ তথা মানৱীয় অনুভূতিৰে সমৃদ্ধ ৰাষ্ট্ৰ গঢ়ি তোলাৰ বাবে প্ৰেৰণা যোগাই আহিছে। শৰতকালৰ এই দেৱী উপাসনা হ'ল অপশক্তি নাশেৰে সত্যক প্ৰতিষ্ঠা কৰা এক যুগজয়ী উৎসৱ। প্ৰকৃতিৰ এই উৎসৱমুখৰ তথা বিনন্দীয়া পৰিৱেশে সমাজত শান্তি- সম্প্ৰীতি গঢ়াৰ পথো সুদৃঢ় কৰে। মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে যে শাৰদীয় দুৰ্গোৎসৱে আমাৰ মাজত বৰ্তি থকা শান্তি, সম্প্ৰীতি, প্ৰেম তথা ভাতৃত্ববোধৰ এনাজৰী অধিক সুদৃঢ় কৰাৰ দিশত সকলোকে ঐক্যবদ্ধভাৱে কাম কৰাৰ বাবে অনুপ্ৰাণিত কৰিব।

**পুঃডেঃ**
**৩০/০৯/২০২২**